**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-MAY-2026 **Time :** 1205 HRS

***Assamese 1205 PM Bulletin***

**HEADLINES**

১। পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি **সেৱা চে সমৃদ্ধি** শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন।

২। ৰাজ্যত লোকপিয়লৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ বদলিকৰণত নিষেধাজ্ঞা।

৩। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ। ২০২৫-২৬ পৰ্যটন বৰ্ষত অভিলেখ সংখ্যক পৰ্যটকৰ আগমন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত আজি ৰাজস্থান ৰয়েলছ আৰু গুজৰাট টাইটানছ মুখামুখি।

oooooooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালা অনুষ্ঠিত হৈছে। পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এছ পি সিং বাঘেল আৰু মন্ত্ৰী ৰামেশ্বৰ তেলী উপস্থিত আছে। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব।

ooooo

ৰাজ্যত অহা ২ আগষ্টত দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ বাবে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ৰাজ্যৰ বিভিন্ন জিলাত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে। লোকপিয়লৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ বদলিকৰণৰ ওপৰত বাধানিষেধ আৰোপ কৰা হৈছে। কেন্দ্ৰীয় গৃহ সচিবৰ পৰা এই সন্দৰ্ভত এখন পত্ৰ লাভ কৰা বুলি ৰাজ্যৰ কৰ্মচাৰী বিভাগৰ উপ-সচিব মুন্মী শইকীয়াই অৱগত কৰিছে। ইতিমধ্যে এই সন্দৰ্ভত সাধাৰণ প্ৰশাসন বিভাগৰ সচিব আৰু সকলো জিলাৰ আয়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। পত্ৰখনত লোকপিয়লৰ কামত নিয়োজিত বষিয়া-কৰ্মচাৰীসকলৰ বদলিৰ ক্ষেত্ৰত বাধানিষেধ আৰোপ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তামুলপুৰ, ধেমাজি, শিলচৰ, মৰিগাঁও জিলাত কালি

লোকপিয়লৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী কাইলৈকে চলিব।

oooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাসমূহ অনুষ্ঠিত হৈছে। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষাত এইবেলি ৬৪ হাজাৰ ৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰে।

ooooooo

উচ্চতম ন্যায়ালয়ত NEET-UG ২০২৬ বৰ্ষৰ প্ৰশ্নকাকত ফাদিল সম্পৰ্কীয় আবেদনৰ আজি গুৰুত্বপূৰ্ণ শুনানি আছে। ন্যায়াধীশ পি এচ নৰসিংহ আৰু ন্যায়াধীশ অলক আৰাধেৰ বিচাৰপীঠে এই গোচৰৰ শুনানি গ্ৰহণ কৰি আছে। যোৱা ২৫ মে' সোমবাৰে অনুষ্ঠিত হোৱা শুনানিত উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা এন টি এৰ ওপৰত অসন্তুষ্টি প্ৰকাশ কৰিছিল। আদালতে এন টি এ আৰু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত উচ্চস্তৰীয় বিশেষজ্ঞ কমিটিৰ অধ্যক্ষ ড০ কে ৰাধাকৃষ্ণণক পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু সুৰক্ষা সন্দৰ্ভত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই বিষয়ে সবিশেষ জনায়। ২৮ মে' ৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। আজি এই শপতনামাৰ আদালতত পৰ্য্যালোচনা কৰা হ'ব। আনহাতে ডক্টৰচ ফ'ৰামৰ তৰফৰ পৰা দাখিল কৰা আবেদন সমূহত এন টি এ ভংগ কৰি সংসদৰ আইনৰ দ্বাৰা এটা নতুন স্বতন্ত্ৰ আৰু প্ৰযুক্তিগতভাৱে সুৰক্ষিত পৰীক্ষা সংস্থা গঠন কৰিবলৈ দাবী জনোৱা হৈছে। লগতে এজন অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ তত্বাৱধানত পুনৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ দাবী জনোৱা হৈছে। উল্লেখযোগ্য যে যোৱা ৩ মে'ত অনুষ্ঠিত হোৱা NEET-UG পৰীক্ষাটো প্ৰশ্নকাকত বাতিলৰ অভিযোগত ১২ মে'ত বাতিল কৰা হৈছিল।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি দিনৰ ২ বজাত ৰায়দান কৰিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত বন্দী হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও আজি অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় দিব।

oooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। ইয়াৰে ভিতৰত ৪

দশমিক ৫ শতাংশ বিদেশী পৰ্যটক আছে। অক্টোবৰ-নৱেম্বৰত ৰাষ্ট্ৰীয় উদ্যানখন পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। এই সন্দৰ্ভত উদ্যান কৰ্তৃপক্ষৰ এগৰাকী বিষয়াই এইদৰে কয়-

বাইট

০০০০০০

তেজপুৰত পূৰ্বৰ দৰে এই বছৰো অহা ৬ আৰু ৭ জুনত তেজপুৰ লিচু মহোৎসৱ অনুষ্ঠিত হ'ব। আজি শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাসে লিচু মহোৎসৱ হ'বলগীয়া পৰুৱা লিচু বাগিছা আৰু পল্টন পুখুৰী লিচু বাগিছা পৰিদৰ্শন কৰে। তেওঁৰ সৈতে **টেৰী**ৰ জ্যেষ্ঠ বিষয়া ড০ দিপাংকৰ চহৰীয়া, ক্ষুদ্ৰ অনুদান কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় সমন্বয়ক মনীষ কুমাৰ পাণ্ডে, সহকাৰী আয়ুক্ত অৰ্ণৱ বৰকটকী, মহকুমা কৃষি বিষয়া ড০ জাকিৰ হুছেইন আৰু অন্যান্য বিভাগীয় বিষয়াসকলো আছিল। পৰিদৰ্শনৰ সময়ত দলটোৱে লিচু মহোৎসৱৰ জৰিয়তে লিচু খেতিয়কৰ বাবে বজাৰ সংযোগ নিশ্চিত কৰা কৃষকৰ অংশগ্ৰহণ বৃদ্ধি কৰা তেজপুৰৰ লিচুক বিশ্বৰ প্ৰেক্ষাপটত পৰিচয় কৰি দিয়া আদি বিষয়ত আলোকপাত কৰে।

০০০০০০০

ৰাজ্যৰ বন বিভাগ আৰু গোলাঘাট জিলা প্ৰশাসনে মেৰাপানীৰ দুই নম্বৰ নেঘেৰিবিলত পুনৰ উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে বন বিভাগে এই ক্ষেত্ৰত তৎপৰতা গ্ৰহণ কৰিছে। বিভাগৰ মুখ্য সচিব এন কে যাদৱে কালি জিলা আয়ুক্ত পূবালী গোহাঁই, অতিৰিক্ত আৰক্ষী অধীক্ষক জন দাস, বন বিভাগৰ উচ্চ পদস্থ বিষয়া-কৰ্মচাৰী আৰু চি আৰ পি এফৰ বিষয়াসকলৰ সৈতে উচ্ছেদৰ বাবে চিনাক্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে আৰু আইন শৃংখলা তথা সামগ্ৰিক পৰিস্থিতি মূল্যায়ণ কৰে। নেঘেৰিবিল অঞ্চলৰ বন ভূমি দীৰ্ঘদিন ধৰি অবৈধভাৱে দখলৰ অভিযোগ উত্থাপিত হৈ আহিছে। বন বিভাগে ইতি পূৰ্বে ১৪৬টা পৰিয়ালৰ বাসগৃহ উচ্ছেদ কৰিছিল যদিও ৫৯ টা পৰিয়ালে উচ্ছেদৰ বিৰোধিতা কৰি ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ পাছত উচ্ছেদ প্ৰক্ৰিয়া সামৰিকভাৱে স্থগিত ৰখা হৈছিল। বন বিভাগে ২ নম্বৰ নেঘেৰিবিলৰ ৫৯টা আৰু উৰিয়ামঘাটৰ ১১টা পৰিয়াললৈ পুনৰ জাননী জাৰি কৰিছে। অঞ্চলটোত জুনৰ পহিলা ভাগত উচ্ছেদ অভিযান আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। উচ্ছেদৰ সম্ভাৱনাক কেন্দ্ৰ কৰি উদ্ভৱ হ'ব পৰা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অঞ্চল দুটাত ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই খণ্ডটিৰ বাবে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি আজিৰ ভিতৰত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। ইয়াৰ উপৰি ১৯২২ নম্বৰত মিছডকল দি লাভ কৰা এছ এম এছ জৰিয়তেও প্ৰধানমন্ত্ৰীলৈ পোনপটীয়াকৈ দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০০০

ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে কামৰূপ আৰু শদিয়া সমজিলাৰ দুটা স্থানত ছোৱাইন ফ্লুৰ প্ৰদুৰ্ভাব ধৰা পৰাৰ পাছত চাই বিশেষ সতৰ্কতা অৱলম্বন কৰিছে আৰু সকলো জিলাকে সষ্টম হৈ থাকিবলৈ নিৰ্দেশ দিছে। বিভাগে শদিয়া সমজিলাৰ উত্তৰ ৰংপুৰীয়া গাঁৱত গাহৰিৰ দেহত এই ৰোগ ধৰা পৰাৰ পাছত অভিকেন্দ্ৰৰ এক কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক আক্ৰান্ত অঞ্চল হিচাপে চিনাক্ত কৰি গাহৰিৰ মাংস আৰু গাহৰিৰ বিক্ৰী সম্পূৰ্ণৰূপে বন্ধ কৰিছে। পশু পানল বিভাগে আজিৰ ভিতৰত আক্ৰান্ত গাহৰিসমূহ নিধন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শদিয়াৰ পৰা অন্য জিলা তথা অৰুণাচল প্ৰদেশলৈ গাহৰিৰ মাংস অথবা গাহৰি মাংসৰ সামগ্ৰী প্ৰেৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। প্ৰশাসনে ৰাইজক আতংকিত নহ'বলৈ আৰু এই ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। অৱশ্যে যোৱা বছৰ ছোৱাইন ফ্লুৱে মাৰাত্মক ৰূপ লোৱা ধেমাজি, লখিমপুৰ, শিৱসাগৰ, দৰং, ডিব্ৰুগড় আদি জিলাত বৰ্তমানলৈকে কোনো গাহৰিৰ দেহত এই ৰোগ ধৰা পৰা নাই।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ৰত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

oooooo

**সমাপ্ত**